# সমালোচনা কলা আৰু সাধনা

ড° আনন্দ বৰমুদৈ অভিনন্দন গ্ৰন্থ

*সম্পাদক*

ড° কল্যাণ ভূএঞা।। প্ৰকল্প ৰঞ্জন ভাগৱতী

পয়েট্ৰী উইডাউট ফিয়াৰ

*Samalochana Kala Aru Sadhana*

*A festschirft– a collection of articles and essays edited by Dr. Kalyan Bhuyan and Prakalpa Ranjan Bhagawati in honour of Dr. Ananda Bormudoi.*

© 2024 by Poetry without Fear

Individual Articles/Essays © 2024 by Authors

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2024.

Published by Poetry without Fear (PWF) in Assam, 2024.
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-975772-1-5

Price: ₹300.00

*সমালোচনা কলা আৰু সাধনা*

ড° আনন্দ বৰমুদৈ অভিনন্দন গ্ৰন্থ

*সম্পাদনা সমিতি*

ড° ফৰিদা আহমেদ (সদস্য)

শ্বৰীফা খাতুন চৌধুৰী (সদস্য)

ডাঃ প্ৰণয় ফুকন (সদস্য)

সত্যজিৎ গগৈ (সদস্য)

ড° কল্যাণ ভূঞা (সম্পাদক)

প্ৰকল্প ৰঞ্জন ভাগৱতী (সম্পাদক)

# সূচীপত্ৰ


| | | |
|---|---|---|
| | *ভূমিকা* | ০.৫ |
| | *প্ৰথম ভাগ* | |
| ১. | আনন্দ বৰমুদৈ ঃ এটি স্নেপশ্বট | ১ |
| | *নগেন শইকীয়া* | |
| ২. | ড° বৰমুদৈৰ আনন্দময় সান্নিধ্য | ৬ |
| | *ড° কৰবী ডেকা হাজৰিকা* | |
| ৩. | পুৰুষোত্তম | ১১ |
| | *প্ৰণয় ফুকন* | |
| ৪. | সাহিত্য সমালোচনাৰে সমৃদ্ধ আনন্দ বৰমুদৈ | ১৯ |
| | *ড° ফৰিদা আহমেদ* | |
| ৫. | আনন্দ বৰমুদৈ ছাৰৰ জীৱনৰ সৰু সৰু কথা | ২৩ |
| | *শ্বৰীফা খাতুন চৌধুৰী* | |
| ৬. | সমালোচক ড° আনন্দ বৰমুদৈ আৰু তেওঁৰ চিন্তাৰ পোহৰত শঙ্কৰদেৱ | ৩০ |
| | *সত্যজিৎ গগৈ* | |
| ৭. | খিৰিকীমুখৰ আকাশ | ৩৬ |
| | *ড° কল্যাণ ভূঞা* | |
| ৮. | ড° আনন্দ বৰমুদৈৰ সাহিত্য সমালোচনা | ৪৭ |
| | *ড° সিদ্ধাৰ্থ গোস্বামী* | |
| | *দ্বিতীয় ভাগ* | |
| ৯. | আধুনিকতাবাদ আৰু অসমীয়া কবিতাত আধুনিকতাবাদৰ প্ৰতিফলন | ৮৩ |
| | *হৰেকৃষ্ণ ডেকা* | |
| ১০. | মাধৱদেৱৰ ব্যক্তিত্বত অস্মিতাবোধ ঃ বিনয় আৰু দৃঢ় প্ৰত্যয়ৰ অভিব্যক্তি | ১১১ |
| | *পল্লৱী ডেকা বুজৰবৰুৱা* | |
| ১১. | যাত্ৰীৰ চিন্তা, চিন্তাৰ যাত্ৰা | ১২৯ |
| | *বিভাস চৌধুৰী* | |

১২. ইংৰাজী আৰু আমি ১৩৭
*সঞ্জীৱ কুমাৰ নাথ*
১৩. গঠনবাদ, উত্তৰ-গঠনবাদ আৰু কিছু চিন্তাৰ স্বাদ ১৪৬
*ড° জ্যোতি প্ৰসাদ শইকীয়া*
১৪. অসমীয়া কবিতাৰ ইংৰাজী অনুবাদ ঃ জটিলতাৰ প্ৰধান দিশবোৰ ১৫৮
*নীৰেন্দ্ৰ নাথ ঠাকুৰীয়া*
১৫. ভাৰতীয় উপন্যাস ঃ নাৰীৰ কলমত নিজৰ আকাশ ১৬৯
*ড° অনুৰাধা শৰ্মা*
১৬. নিম্নবৰ্গীয় কোন? নিম্নবৰ্গীয়ৰ ইতিহাস বিভ্ৰম নে বাস্তৱ! ১৯৬
*ড° পৰী হিলৈদাৰী*
১৭. সমাজতান্ত্ৰিক বাস্তৱবাদ ঃ ৰাজনীতি আৰু সাহিত্যতত্ত্ব ২১৪
*ড° বিৰিঞ্চি কুমাৰ দাস*
১৮. অসমীয়া কবিতাৰ সমালোচনাৰ ধাৰা ঃ এটা খচৰা ২২২
*ৰাজীৱ বৰা*
১৯. অসমীয়া আধুনিক কবিতাত পৰিৱেশ নাৰীবাদৰ প্ৰসংগ ২৪৯
*ড° গীতালী শইকীয়া*
২০. ইক'ফিক্‌শ্যন আৰু সাম্প্ৰতিক অসমীয়া উপন্যাস ঃ এক সমীক্ষা ২৬৫
*জ্যোতিষ্মান দাস*
২১. Whither English Studies? ২৮৭
*Mridul Bordoloi*

*তৃতীয় ভাগ*
২২. ড° আনন্দ বৰমুদৈৰ সৈতে কথোপকথন ২৯৯
*প্ৰকল্প ৰঞ্জন ভাগৱতী*
২৩. An Interview with Dr. Ananda Bormudoi ৩১০
*Prasanta J Baruah*
*ড° আনন্দ বৰমুদৈৰ সংক্ষিপ্ত জীৱনপঞ্জী* ৩১৫
*লেখক-পৰিচিতি* ৩১৯

# ভূমিকা

টি. এছ. এলিয়টে তেওঁৰ 'To Criticize the Critic' শীৰ্ষক ৰচনাখনত তেওঁৰ সমসাময়িক সমালোচকসকলক শ্ৰেণীৱদ্ধ কৰিবলৈ গৈ চাৰি প্ৰকাৰৰ সমালোচক থকাৰ কথা উল্লেখ কৰিছে। প্ৰথমতে, সেইসকল সমলোচক, যাৰ সাহিত্য সমলোচনাই খ্যাতিৰ একমাত্ৰ শিতান, যিসকলক পেছাদাৰী সমালোচক বুলিও ক'ব পাৰি। এওঁলোকক উচ্চ স্তৰৰ সমীক্ষক বুলিও ক'ব পাৰি। তেওঁলোক কাকত-আলোচনীৰ স্বীকৃত সমালোচক। পেছাদাৰী সমালোচকসকল বিফল কবি, নাট্যকাৰ বা ঔপন্যাসিক নহ'বও পাৰে। দ্বিতীয় প্ৰকাৰৰ সমালোচক হ'ল সেইসকল, যিসকলক ৰায় দিবলৈ নিমন্ত্ৰণ কৰা নহয়। বৰঞ্চ তেওঁলোকে সেইসকল লেখকৰ হৈ ওকালতি কৰে, যাৰ কৃতিক বহিষ্কাৰ কৰা হৈছে, অথবা যাক পাহৰি যোৱা হৈছে। তৃতীয় প্ৰকাৰৰ সমালোচক হ'ল বিদ্যায়তনিক আৰু তাত্ত্বিক সমালোচক। এলিয়টে বিদ্যায়তনিক আৰু তাত্ত্বিক এই দুয়োটাকে একেলগে ৰাখিছে। কাৰণ ইয়াৰ এটাই আনটোক ঢাকি ৰাখিব পাৰে। চতুৰ্থ প্ৰকাৰৰ সমালোচক হ'ল সেইসকল, যাৰ বাবে সমালোচনা সৃষ্টিশীল কৰ্মৰ উপ-জাতক। বিশেষকৈ, তেনে সমালোচক যি এজন কবিও। (*To Criticize the Critic and Other Writings*, টি. এছ. এলিয়ট, ১৯৬৫)

ড° আনন্দ বৰমুদৈয়ে তেওঁৰ 'কবি, কবিতা আৰু সমালোচনা' শীৰ্ষক ৰচনাখনত এলিয়টে কৰা সমালোচকৰ শ্ৰেণীবিভাজনৰ কথা উল্লেখ কৰিছে। (*অসমীয়া কবিতাৰ সমালোচনা*, বৰমুদৈ, ২০১২) এলিয়টৰ শ্ৰেণীবিভাজন অনুসৰি চালে ড° আনন্দ বৰমুদৈ তৃতীয় প্ৰকাৰত পৰিব। সমালোচনাকে লেখক আৰু বৌদ্ধিক জীৱনৰ ব্ৰত হিচাপে ল'লেও তেওঁ পেছাদাৰী সমালোচক নহয়। তেওঁ বিফল সৃষ্টিশীল লেখকো নহয়। এলিয়টে একেখন ৰচনাতে কোৱাৰ দৰে ড° বৰমুদৈৰ বাবে সাহিত্য সমালোচনা হ'ল 'সংস্কৃতিৱান মনৰ প্ৰবৃত্তিগত কাৰ্যকলাপ' (an instinctive activity of the civilized mind)। তেওঁৰ সমালোচনাবোৰত ৰুচিশীল সংস্কৃতিৱান মনৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। আনহাতে তেওঁৰ সমালোচনাত বিদ্যায়তনিক শৃংখলা যেনেকৈ লক্ষ্য কৰা যায়, তেনেকৈ তাত্ত্বিক আধাৰো দেখা পোৱা যায়।

সমালোচক হিচাপে ড° বৰমুদৈ পাশ্চাত্য ধ্ৰুপদী ঐতিহ্যৰ প্ৰতি সচেতন। এৰিষ্টটল, ওৱৰ্ডছৱৰ্থৰপৰা আৰম্ভ কৰি এলিয়ট, পাউণ্ডলৈকে প্ৰখ্যাত সমালোচক আৰু সাহিত্যতাত্ত্বিকসকলে আগবঢ়োৱা মৌলিক বিধি(principles)বোৰ তেওঁৰ সাহিত্য বিচাৰৰ মাপকাঠি। অসমীয়া আধুনিক সাহিত্য মূলতঃ পাশ্চাত্যৰ অৱদান। সেয়ে আধুনিক সাহিত্য বিচাৰৰ মাপকাঠিবোৰো পশ্চিমৰপৰা আমদানীকৃত। ড° বৰমুদৈয়ে অসমীয়া সাহিত্যৰ বিশ্লেষণ আৰু মূল্যায়নত পশ্চিমৰ মৌলিক বিধিবোৰকে আধাৰ হিচাপে লয় আৰু অসমীয়া মানস আৰু সমাজ-জীৱনৰ স্বকীয় পৰিপ্ৰেক্ষিতত সিবোৰৰ তাৎপৰ্য বিচাৰৰ প্ৰয়াস কৰে।

টি. এছ. এলিয়টে 'The Function of Criticism' শীৰ্ষক আন এখন ৰচনাত সমালোচনাৰ সংজ্ঞা বৰ সুন্দৰকৈ দিছে। তেওঁৰ মতে সমালোচনা হ'ল সাহিত্যকৰ্মৰ ভাষ্য আৰু ব্যাখ্যা (commentation and exposition)। তেওঁ লগতে কৈছে যে সমালোচনা কলাকৰ্মৰ প্ৰাঞ্জলীকৰণ আৰু ৰুচিৰ শুধৰণী (elucidation of works of art and the correction of taste) যেন লাগিব লাগে। ড° বৰমুদৈয়েও কোনো সাহিত্যকৰ্ম বা পাঠৰ সমালোচনা কৰিবলৈ লোৱাৰ সময়ত তাৰ ব্যাখ্যা আৰু প্ৰাঞ্জলীকৰণত গুৰুত্ব প্ৰদান কৰে। সৃষ্টিশীল লেখক আৰু সমালোচকৰ লক্ষ্য পাঠকসমাজ একেখনেই। বেলেগ এখন পাঠকসমাজৰ বাবে সমালোচকে নিলিখে। সমালোচকৰ ভাষ্য আৰু ব্যাখ্যাই পাঠ বা সাহিত্যকৰ্ম একোটাক নতুনকৈ বা অন্য দৃষ্টিৰে চাবলৈ পাঠকক উৎসাহিত কৰে। ড° বৰমুদৈয়ে সমালোচনা সম্পৰ্কে 'সমালোচনাৰ কেইটামান মতবাদ' শীৰ্ষক এখন ৰচনাত কৈছে, "সাহিত্য যিয়ে পাঠ কৰে তেওঁৰ সমালোচনাৰ অধিকাৰো থাকে।" এই কথাষাৰৰ ইংগিতটো হ'ল প্ৰতিজন পাঠকৰ মাজত এজন সমালোচক লুকাই থাকে। কিন্তু সকলো সমালোচনা সমমূল্যৰ নহয়। সমালোচক এজনে সাহিত্য সম্পৰ্কীয় কিমান খবৰ ৰাখিছে তাৰ ওপৰত সমালোচনাৰ মূল্য নিৰ্ভৰ কৰে। ড° বৰমুদৈৰ সমালোচনাকৰ্মই পাঠকৰ মাজত লুকাই থকা সমালোচকজনক জাগৰূক কৰি তোলে।

জীৱনদৰ্শনৰ ফালৰপৰা ড° বৰমুদৈ এগৰাকী মানৱতাবাদী সমালোচক। সমাজ আৰু মানুহৰ প্ৰতি একধৰণৰ শুভবোধ তেওঁৰ সমালোচনামূলক দৃষ্টিভংগীত সকলো সময়তে ক্ৰিয়াশীল হৈ থাকে। চিন্তাৰ দিশেৰে তেওঁ এগৰাকী উদাৰবাদী। তত্ত্ব আৰু মতাদৰ্শৰ ক্ষেত্ৰত গোড়ামী তেওঁ পছন্দ নকৰে। অৱশ্যে কোনো সাহিত্যতত্ত্ব, চিন্তা